# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 16-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। নির্বাচন আয়োগে অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগৰ আসন্ন বিধানসভা নির্বাচনৰ দিন ঘোষণা কৰিছে।

২। বিজেপিৰ সভাপতি নীতিন নবীনে নির্বাচনৰ বাবে এন ডি এ তথা বিজেপিৰ কৰ্মীসকল সম্পূৰ্ণৰূপে সাজু বুলি প্ৰকাশ কৰিছে।

৩। ২০২৭ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে চৰকাৰে মনোনয়ন আৰু পৰামৰ্শৰ বাবে আহ্বান জনাইছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে জনসাধাৰণক বাহন চলোৱাৰ সময়ত যান-বাহন আইন কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। *আৰু*

৫। ওড়িশাৰ ময়ূৰভাঞ্জ জিলাত কালি ঘূৰ্ণীবতাহৰ ফলত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক গুৰুত্বৰভাৱে আহত হয়।

ooooo

নির্বাচন আয়োগে কালি অসম, কেৰালাম, পুডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত হ'বলগীয়া নির্বাচনৰ দিন ঘোষণা কৰে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এখন সংবাদমেলত মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে অসম, কেৰালাম আৰু পুডুচেৰীত অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নির্বাচন অনুষ্ঠিত হোৱাৰ লগতে তামিলনাডুত ২৩ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আনহাতে পশ্চিমবংগত অহা ২৩ এপ্ৰিলত প্ৰথম পৰ্যায়ত আৰু ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ১৫২ টা বিধানসভা সমষ্টি আৰু দ্বিতীয় পৰ্যায়ত ১৪২টা সমষ্টিক সামৰি লোৱা হ'ব। চাৰিওখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলটোত অহা ৪ মে'ত ভোটগণনা কৰা হ'ব। শ্ৰীকুমাৰে কয়, যে নির্বাচনৰ সময়সূচী ঘোষণা হোৱাৰ লগে লগে এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলটোত নির্বাচনী আচৰণ বিধি তাৎক্ষণিকভাৱে বলৱৎ কৰা হৈছে। নির্বাচন আয়ুক্তগৰাকীয়ে কয় যে ৮২৪টা সমষ্টি সামৰি হ'বলগীয়া নির্বাচনত ১৭ কোটি জনসাধাৰণে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত পশ্চিমবংগত ৬ কোটিতকৈ অধিক, তামিলনাডুত ৫ কোটিতকৈ অধিক, কেৰালামত প্ৰায় ৩ কোটি, অসমত ২ কোটিতকৈ অধিক আৰু পুডুচেৰীত ৯ লাখতকৈ অধিক ভোটদাতা আছে। তেওঁ কয় যে নির্বাচন হ'বলগীয়া জিলা আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ২ লাখতকৈ অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে এই কেন্দ্ৰসমূহত প্ৰায় ২৫ লাখতকৈ অধিক নির্বাচনী বিষয়া নিযুক্ত কৰা হ'ব। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে যাতে খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু আন প্ৰয়োজনীয় ব্যৱস্থাসমূহ উপলব্ধ হয় তাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশনা জাৰি কৰা হৈছে বুলি শ্ৰীকুমাৰে উল্লেখ কৰে।

মুখ্য নির্বাচনী বিষয়াগৰাকীয়ে সংবাদমেলত বিশুদ্ধ ভোটাৰ তালিকা গণতন্ত্ৰৰ আধাৰ বুলি উল্লেখ কৰি কয়, যে এই উদ্দেশ্য আগত ৰাখিয়েই নির্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ

পুনৰীক্ষণ প্ৰক্ৰিয়া চলাইছিল। তেওঁ লগতে কয়, যে নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰি তোলৰ বাবে ৩০ টা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ২০০ ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি তেওঁ লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে যুৱচামক তথা প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিবলগীয়া ভোটদাতাসকলক এই বিশাল গণতান্ত্ৰিক প্ৰক্ৰিয়াত উৎসাহেৰে অংশ লৈ গৌৰৱ, দায়বদ্ধতা আৰু বিশ্বাসেৰে ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ ভাৰতৰ নিৰ্বাচনক প্ৰকৃতাৰ্থত গণতন্ত্ৰৰ উৎসৱ বুলি অভিহিত কৰে।

ooooo

বিজেপিৰ সভাপতি নীতিন নবীনে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এ তথা বিজেপিৰ কৰ্মীসকল সম্পূৰ্ণৰূপে সাজু বুলি প্ৰকাশ কৰিছে। চাৰিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে শ্ৰীনবীনে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এয়ে অসম আৰু পুডুচেৰীত পুনৰবাৰ চৰকাৰ গঠন কৰিবলৈ প্ৰস্তুতি চলাইছে। তেওঁ লগতে পশ্চিমবংগ, তামিলনাডু আৰু কেৰালামতো জনসাধাৰণৰ সমৰ্থনত এন ডি এই জয়ী হোৱাৰ পথ প্ৰশস্ত কৰি তোলা হৈছে বুলি মন্তব্য কৰে।

ooooo

২০২৭ বৰ্ষৰ পদ্ম বঁটাসমূহৰ বাবে চৰকাৰে মনোনয়ন আৰু পৰামৰ্শৰ বাবে আহ্বান জনাইছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে অহা বছৰৰ গণৰাজ্য দিৱসৰ দিনা পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। অহা ৩১ জুলাই পদ্ম বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন। এই বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ যোগেদিহে গ্ৰহণ কৰা হ'ব বুলি বিবৃতিটোত কোৱা হৈছে। লিংগ, জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব পাৰিব। অৱশ্যে চিকিৎসক আৰু বিজ্ঞানীৰ বাহিৰে, ৰাজহুৱা খণ্ডৰ অধীনৰ কৰ্মচাৰীকে ধৰি চৰকাৰী কৰ্মচাৰীসকলে এই বঁটাৰ বাবে মনোনয়ন দাখিল কৰিব নোৱাৰিব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা তথা বাণিজ্য আৰু উদ্যোগকে ধৰি বিভিন্ন খণ্ডত উল্লেখনীয় সেৱা আগবঢ়োৱা লোকসকলক তেওঁলোকৰ কামৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

ooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে জনসাধাৰণক বিশেষকৈ যুৱক-যুৱতীসকলক বাহন চলোৱাৰ সময়ত যান-বাহন আইন কঠোৰভাৱে মানি চলিবলৈ আৰু দ্ৰুত বেগ নিয়ন্ত্ৰণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে জীৱন সুৰক্ষাৰ বাবে পথত নিয়মানুৱৰ্তিতা মানি চলাটো অত্যন্ত প্ৰয়োজনীয়। মহাৰাষ্ট্ৰৰ নাগপুৰৰ চিন্ময়'ছিছ প্ৰেক্ষাগৃহত পথ সুৰক্ষা কাৰ্যসূচীত অংশ লৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। শ্ৰীগাডকাৰীয়ে কয়, যে বহু লোকে বাহন চলোৱাৰ সময়ত দ্ৰুত বেগৰ সীমা তথা ট্ৰেফিক ছিগনেলক গুৰুত্ব নিদি পথক চাৰ্কাছৰ দৰে ব্যৱহাৰ

কৰিবলৈ যোৱাৰ ফলতে দুৰ্ঘটনা সংঘটিত হয়। প্ৰতিবছৰে হেলমেট পৰিধান নকৰাৰ বাবে প্ৰায় ৫০ হাজাৰ লোকৰ মৃত্যু হোৱাৰ লগতে ছিটবেল্ট পৰিধান নকৰাৰ বাবে প্ৰায় ২৬ হাজাৰ লোকৰ পথ দুৰ্ঘটনাত মৃত্যু হয় বুলি শ্ৰীগাডকাৰীয়ে প্ৰকাশ কৰে। তেওঁ সকলো নাগৰিককে জীৱন বচোৱাৰ বাবে পথ সুৰক্ষাৰ নীতি-নিয়মসমূহ মানি চলিবলৈ আহ্বান জনায়।

০০০০০

কাটাৰ বিমান পৰিবহনে দুদিনৰ বাবে ভাৰতলৈ আৰু তিনিখন বিমান চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে বুলি দোহাত থকা ভাৰতীয় দূতাবাসে প্ৰকাশ কৰিছে। কাটাৰৰ পৰা এই বিমানকেইখন নতুন দিল্লী, মুম্বাই আৰু কোচিলৈ চলিব। কালি কাটাৰ বিমান পৰিবহনৰ এখন বিমান নতুন দিল্লীলৈ উৰা মাৰে। ভাৰতীয় দূতাবাসে জনোৱা মতে দেশখনত আবদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলক যাত্ৰাৰ সুবিধা কৰি দিয়াৰ বাবে স্থানীয় কৰ্তৃপক্ষ তথা কাটাৰ বিমান পৰিবহনৰ সৈতে তেওঁলোকে নিৰন্তৰ যোগাযোগ ৰক্ষা কৰিছে। দূতাবাসে লগতে ভাৰতীয় লোকসকলক ৯৬ ঘণ্টাৰ ম্যাদ থকা অস্থায়ী ট্ৰানজিত ভিছাৰে ছালৱা সীমান্তৰে ছৌদি আৰবলৈ যাত্ৰা কৰাৰ বাবে সহযোগিতা কৰিছে বুলি জানিবলৈ দিয়ে।

০০০০০

লোকসভাত আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ অধীনত অনুদানৰ দাবী সন্দৰ্ভত আলোচনা আৰু ভোটদান হ'ব। তদুপৰি ২০২৬-২৭ বৰ্ষৰ বাবে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত অনুদানৰ দাবী সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হ'ব। ইপিনে ৰাজ্যসভাত আজি বিনিয়োগ বিধেয়ক ২০২৬ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০

ওড়িশাৰ ময়ূৰভাঞ্জ জিলাত কালি ঘূৰ্ণীবতাহৰ ফলত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে বহু লোক গুৰুত্বৰভাৱে আহত হয়। প্ৰবল ঘূৰ্ণীবতাহত জিলাখনৰ কমেও ১২ খন গাঁৱত ঘৰ-দুৱাৰৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে বহু গছ আৰু বৈদ্যুতিক খুঁটা উভালি পৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত লোকসকলক নিকটৱৰ্তি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কিয়া আৰু কংকড়া নামৰ গাঁও দুখনত সৰ্বাধিক ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে। আকাশবাণী ভূৱনেশ্বৰৰ সংবাদদাতাই জনোৱা মতে ঘূৰ্ণীবতাহৰ প্ৰৱণতা ইমানেই শক্তিশালী আছিল যে এখন অট'ৰিক্সা আৰু স্কুটাৰক বতাহে বহু দূৰলৈ উৰুৱাই নিয়ে। ওড়িশা চৰকাৰে নিহত কেইজনৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০০

ইৰাণৰ বৈদেশিক মন্ত্ৰী ছইদ আব্বাছ আৰাঘচিয়ে কয় যে ইৰাণে আমেৰিকাৰ সৈতে কথা পতাৰ কোনো যুক্তি বিচাৰি পোৱা নাই। আমেৰিকাৰ সংবাদ মাধ্যমক দিয়া এক সাক্ষাৎকাৰত আৰাঘচিয়ে এই মন্তব্য কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে চুক্তি কৰিবলৈ চৰ্তসমূহ এই পৰ্য্যন্ত পছন্দ নোহোৱাত আমেৰিকা সাজু নহয় বুলি কোৱাৰ এদিন পাছতে তেওঁৰ এই প্ৰতিক্ৰিয়া প্ৰকাশ পাইছিল। সামাজিক মাধ্যম এক্সযোগে নিজৰ সাক্ষাৎকাৰ ভাগ বতৰা কৰি ইৰাণৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে কয় যে ইৰাণে যুদ্ধবিৰতি বা আলোচনাও বিচৰা নাই। তেওঁ সাক্ষাৎকাৰটোত কয় যে যেতিয়ালৈকে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে তেওঁ মাৰ্কিন আৰু ইৰাণী উভয়ৰে ওপৰত জাপি দিয়া অবৈধ যুদ্ধ ভুল আৰু ইয়াৰ পুনৰাবৃত্তি কেতিয়াও হ'ব নালাগে বুলি উপলব্ধি নকৰে তেতিয়ালৈ ইৰাণৰ

শক্তিশালী সশস্ত্র বাহিনীয়ে গুলীচালনা অব্যাহত ৰাখিব। তেওঁ ভুক্তভোগীকো ক্ষতিপূৰণ দিব লাগিব বুলি দাবী কৰে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থা (আই ই এ)য়ে প্ৰকাশ কৰিছে যে তেওঁলোকৰ সদস্য দেশসমূহে জৰুৰীকালীন মজুতৰ পৰা বৃহৎ পৰিমাণৰ তেল মুকলি কৰি গোলকীয় বজাৰত ইয়াৰ মূল্য হ্ৰাস কৰাত সহায় কৰিব।

সংস্থাটোৱে এক বিবৃতিত কয় যে এছিয়া আৰু ওচেনিয়াৰ দেশসমূহে তৎক্ষণাত তেল মুকলি কৰিবলৈ আৰম্ভ কৰিব, আনহাতে চলিত মাহৰ শেষৰ ফালে
ইউৰোপ আৰু আমেৰিকাৰ পৰা মজুত তেল মুকলি কৰিবলৈ আৰম্ভ কৰিব । ইয়াত কোৱা হৈছে যে এই সমন্বিত পদক্ষেপ এতিয়ালৈকে জৰুৰীকালীন তেল মুকলিৰ ভিতৰত সৰ্ববৃহৎ।

আই ই এয়ে ঘোষণা কৰে যে তেওঁলোকে প্ৰায় ৪০ কোটি বেৰেল তেল মুকলি কৰিব, যিটো ২০২২ চনত ৰাছিয়াই ইউক্ৰেইন আক্ৰমণৰ পাছত মুকলি কৰা ১৮২.৭ মিলিয়ন বেৰেলৰ দুগুণতকৈও অধিক। আই ই এৰ শেহতীয় তথ্য অনুসৰি সদস্য দেশসমূহে চৰকাৰ, উদ্যোগ আৰু অন্যান্য মজুতৰ পৰা প্ৰায় ৪১২ মিলিয়ন বেৰেল তেল ভাগ বতৰা কৰাৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰে প্ৰায় ৭২ শতাংশ খাৰুৱা তেল হ'ব, আৰু বাকীখিনি হ'ব শোধিত তেলৰ সামগ্ৰী।

মাৰ্কিন শক্তি সচিব ক্ৰীছ ৰাইটে অহা কেইসপ্তাহমানৰ ভিতৰত ইৰাণৰ সৈতে সংঘাতৰ অন্ত পৰিব পাৰে বুলি মন্তব্য কৰিচে। তেওঁ বিশ্বজুৰি তেলৰ যোগান পুনৰ উত্থান ঘটিব আৰু ইয়াৰ পিছত ইন্ধনৰ মূল্য হ্ৰাস পাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

ম্যানমাৰত কালি ৪.৫ প্ৰাবল্যৰ এটা ভূমিকম্পই জোকাৰি যায়। ৰাষ্ট্ৰীয় ভূমিকম্পবিজ্ঞান কেন্দ্ৰ (এন চি এছ)ৰ তথ্য অনুসৰি এই ভূমিকম্প ১০৭ কিলোমিটাৰ গভীৰতাত সংঘটিত হয়। অৱশ্যে, ইয়াৰ ফলত এতিয়ালৈকে কোনো ধৰণৰ ক্ষয়-ক্ষতিৰ খবৰ পোৱা নাই।

০০০০০

সমাপ্ত